# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 23-12-2025
**Time :** 1340 Hrs.

## Headlines
০০০০০০০০০

১। নতুন দিল্লীত সামৰণি পৰা ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলনক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰশংসা কৰি কয় যে ইয়াৰ জৰিয়তে বিশ্বৰ প্ৰেক্ষাপটত ভাৰতৰ যোগ্যতাৰ বহুল প্ৰচাৰ সম্ভৱ হৈ উঠিল।

২। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰে আজি স্বাধীন ভাৰতৰ প্ৰথমগৰাকী ভাৰতীয় গবৰ্নৰ জেনেৰেল চি ৰাজা গোপালচাৰীৰ প্ৰতিমূৰ্তি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন প্ৰাংগণত মুকলি কৰে।

৩। প্ৰাক্তন ৰে'ল মন্ত্ৰী আৰু ৰাজ্যসভাৰ সাংসদ মুকুল ৰয়ৰ যোৱা নিশা কলকাতাৰ এখন ব্যক্তিগত চিকিৎসালয়ত ৭১ বছৰ বয়সত মৃত্যু হয়।

৪। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি টুটিকৰিন বন্দৰত ১৫০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

আৰু

৫। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত জিম্বাব'ৱে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

নতুন দিল্লীত সামৰণি পৰা ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলনক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰশংসা কৰিছে। সামাজিক মাধ্যমত আজি এটা সংস্কৃত শুভাশিতম শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এই ঐতিহাসিক সন্মিলনখনৰ জৰিয়তে বিশ্বৰ প্ৰেক্ষাপটত ভাৰতৰ যোগ্যতাৰ বহুল প্ৰচাৰ সম্ভৱ হৈ উঠিল। তেওঁ লগতে উল্লেখ কৰে যে প্ৰযুক্তিৰ ক্ষেত্ৰখনত থকা ভাৰতৰ যুৱ সমাজৰ অগ্ৰণী মানসিকতাই কিদৰে মানৱতাক উপকৃত কৰিব পাৰে, সেয়াও এই সন্মিলনখনৰ জৰিয়তে প্ৰতিফলিত হ'ল।

০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰে আজি স্বাধীন ভাৰতৰ প্ৰথমগৰাকী ভাৰতীয় গবৰ্নৰ জেনেৰেল চি ৰাজা গোপালচাৰীৰ প্ৰতিমূৰ্তি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন প্ৰাংগণত মুকলি কৰে। ৰাষ্ট্ৰপতি ভৱনৰ অশোক মণ্ডপৰ মুকলি ঠাইত থকা ব্ৰিটিছ স্থপতিবিদ এডউইন লুটিয়েনছৰ প্ৰতিমূৰ্তিটো আঁতৰাই ভাৰতীয় গবৰ্নৰ জেনেৰেল চি ৰাজা গোপালচাৰীৰ প্ৰতিমূৰ্তিটো স্থাপন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি ৰাষ্ট্ৰপতি মুৰ্মুৰে কয়, যে ঔপনিবেশিক চিন্তাধাৰাৰ সলনি ভাৰতৰ গৌৰৱোজ্জ্বল সংস্কৃতি, ঐতিহ্য আৰু পৰম্পৰাক তুলি ধৰি দেশৰ প্ৰতি অতুলনীয় অৱদান আগবঢ়োৱাসকলক স্মৰণ কৰাৰ উদ্দেশ্যে এনে পদক্ষেপ গ্ৰহণ কৰা হৈছে। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, কেন্দ্ৰীয় মন্ত্ৰী জগত প্ৰকাশ নাড্ডা, ড° এছ জয়শংকৰ, ধৰ্মেন্দ্ৰ প্ৰধান, গজেন্দ্ৰ সিং শেখাৱট, ড° এল মুৰাগান আৰু চক্ৰৱৰ্তী ৰাজাগোপালাচাৰী পৰিয়ালৰ সদস্যসকল

উপস্থিত থাকে। উল্লেখযোগ্য যে ৰাজাজী উৎসৱৰ সৈতে সংগতি ৰাখি কাইলৈৰ পৰা ১ মাৰ্চলৈ চি ৰাজাগোপালচাৰীৰ বিষয়ক এখন প্ৰদৰ্শনীও আয়োজন কৰা হ'ব।

০০০০০

প্ৰাক্তন ৰে'ল মন্ত্ৰী আৰু ৰাজ্যসভাৰ সাংসদ মুকুল ৰয়ৰ যোৱা নিশা কলকাতাৰ এখন ব্যক্তিগত চিকিৎসালয়ত ৭১ বছৰ বয়সত মৃত্যু হয়। তেওঁৰ পুত্ৰ সুধাংশু ৰয়ে জনোৱা অনুসৰি কেইবাটাও স্বাস্থ্যজনিত সমস্যাত দীৰ্ঘদিন ধৰি ভুগি থকাৰ থকাৰ পাছত নিশা প্ৰায় ডেৰ বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। ইয়াৰ আগেয়ে মুকুল ৰয়ে নিখিল ভাৰত তৃণমূল কংগ্ৰেছৰ অন্যতম প্ৰতিষ্ঠাপক নেতা আছিল আৰু এসময়ত তেওঁ দলৰ দ্বিতীয় স্থানত আছিল। শ্ৰীৰয়ে ১৯৯৮ চনত তৃণমূল কংগ্ৰেছ দল গঠন হোৱাৰ পূৰ্বে ভাৰতীয় জাতীয় কংগ্ৰেছৰ লগত জড়িত আছিল। কংগ্ৰেছত যোগদানৰ জৰিয়তেই তেওঁৰ ৰাজনৈতিক যাত্ৰা আৰম্ভ হৈছিল। পাছত তৃণমূল কংগ্ৰেছৰ মুৰব্বী মমতা বেনাৰ্জীৰ সৈতে হোৱা মতানৈক্যৰ পৰিপ্ৰেক্ষিতত মুকুল ৰয়ে বিজেপিত যোগদান কৰে। বিজেপিৰ টিকটত তেওঁ ২০২১ চনৰ পশ্চিমবংগ বিধানসভা নিৰ্বাচনত কৃষ্ণনগৰ উত্তৰ সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হয়। কিন্তু নিৰ্বাচনৰ পাছতে তেওঁ পুনৰ তৃণমূল কংগ্ৰেছলৈ ঘূৰি আহে।

০০০০০

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী মুকুল ৰয়ৰ মৃত্যুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে ৰাজনৈতিক অভিজ্ঞতা আৰু সমাজৰ সেৱাৰ প্ৰতি থকা মনোভাৱৰ বাবে মুকুল ৰয় স্মৰণীয় হৈ থাকিব।

০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত ভাৰত টেক্সি সেৱাৰ চালক, অৰ্থাৎ সাৰথিসকলৰ সৈতে মত-বিনিময় কৰে। এই সন্দৰ্ভত প্ৰকাশ কৰা এটা ভিডিঅ'ত শ্ৰীশ্বাহে কয় যে ভাৰত টেক্সি সমবায়ৰ জৰিয়তে চালকসকলক তেওঁলোকৰ কামৰ মালিকীস্বত্ব প্ৰদানেৰে সবলীকৰণৰ আঁচনি লোৱা হৈছে। তেওঁ কয় যে এই নতুন টেক্সি সেৱাই ব্যক্তিগত টেক্সি কোম্পানীসমূহৰ সেৱা গ্ৰাহক আৰু চালকসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ ওৰ পেলাব। লগতে এই নতুন সেৱাই সমবায়ক নহয়, বৰং চালকসকলক লাভান্বিত কৰিব বুলি শ্ৰীশ্বাহে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰত টেক্সি সেৱা চালকৰ কল্যাণ আৰু যাত্ৰীৰ সুৰক্ষাৰ উপযুক্ত মঞ্চ হিচাপে বিবেচিত হৈছে।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি টুটিকৰিন বন্দৰত ১৫০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত – ভি অ' চি মেৰিটাইম হেৰিটেজ মিউজিয়াম, ৮ মেগাৱাটৰ ৱাইণ্ড ফাৰ্মৰ আধাৰশিলা আৰু ৫ মেগাৱাটৰ বেটাৰি শক্তি সঞ্চয় ব্যৱস্থাৰ উপৰি সামাজিক দায়বদ্ধতা বিষয়ক প্ৰকল্পও আছে।

০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে আয়োজন কৰা ২০২৫-২৬ বৰ্ষৰ চৰচ মেলাত আজি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহান মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। বিয়লি তিনি বজাত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে অংশ ল'ব। কালিৰেপৰা অনুষ্ঠিত এই মেলাত

গ্ৰাম্য উদ্যোগী, আত্মসহায়ক গোট আৰু থলুৱা শিল্পীসকলে নিৰ্মাণ কৰা সামগ্ৰী প্ৰদৰ্শন তথা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। এই মেলাত বিভিন্ন ৰাজ্যৰ ২৫০খনৰো অধিক বিপণীয়ে অংশ লৈছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ উপৰি মহাৰাষ্ট্ৰ, ছত্তিশগড়, গোৱা, ঝাৰখণ্ড, উত্তৰপ্ৰদেশ, উত্তৰাখণ্ড, পশ্চিমবংগ, পঞ্জাব, হাৰিয়ানাকে ধৰি কেইবাখনো ৰাজ্যৰ হস্তশিল্প আৰু হস্ততাঁত সামগ্ৰী এই বিপণীসমূহত প্ৰদৰ্শন কৰা হৈছে। আজিৰেপৰা আটাইকেইটা দিনতে বিভিন্ন ক্ৰীড়া, পৰম্পৰাগত খেল, ফটোগ্ৰাফী, পুষ্পসজ্জা আৰু ৰন্ধন প্ৰকৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। তদুপৰি প্ৰতি সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। চৰচ মেলাই ৰাজ্যখনত তৃণমূল পৰ্যায়ৰ অৰ্থনীতি সবলীকৰণৰ পথসমূহ সুচল কৰিব বুলি আশা কৰা হৈছে। ৮ মাৰ্চত এই মেলাৰ সামৰণি পৰিব।

ooooo

লণ্ডনত অনুষ্ঠিত ৭৯ সংখ্যক ব্ৰিটিছ একাডেমী চলচ্চিত্ৰ বঁটা - বাফ্টাত মণিপুৰী ভাষাৰ হাস্যব্যঙ্গ ছবি **বুঙে** শ্ৰেষ্ঠ শিশু আৰু পাৰিবাৰিক ছবিৰ শিতানত শ্ৰেষ্ঠ ছবিৰ বঁটা লাভ কৰিছে। ভাৰতীয় চিনেমা, বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ ছবিৰ বাবে এই সন্মান গুৰুত্বপূৰ্ণ মাইলৰ খুটি হিচাপে বিবেচিত হৈছে। ফাৰহান আখটাৰৰ এক্সেল এণ্টাৰটেইনমেণ্টৰ প্ৰযোজিত **বুং** হৈছে লক্ষ্মীপ্ৰিয়া দেৱীৰ পৰিচালনাৰ প্ৰথমখন ছবি। শিশু অভিনেতা গুগুন কিপজেন আৰু বালা হিজামে অভিনয় কৰা এই মণিপুৰী ছবিখনে কেইবাখনো আন্তঃৰাষ্ট্ৰীয় ছবিক পাছ পেলাই এই বঁটা লাভ কৰে। বুং শব্দৰ অৰ্থ হৈছে মণিপুৰী ভাষাত সৰু ল'ৰা। ছবিখনত সামাজিক আৰু ৰাজনৈতিকভাৱে অস্থিৰ পৰিস্থিতিত এটা সৰু ল'ৰাৰ কাহিনীক চিত্ৰায়ন কৰা হৈছে। এক্সন থ্ৰিলাৰ **ৱান বেটল আফ্টাৰ এনাডাৰে** শ্ৰেষ্ঠ ছবিকে ধৰি ছটা বঁটা লাভ কৰিছে। পল থমাছ এণ্ডাৰছনে এই ছবিখনৰ বাবে শ্ৰেষ্ঠ নিৰ্দেশকৰ বঁটা লাভ কৰে। তেওঁ লগতে শ্ৰেষ্ঠ এডপেটেড স্ক্ৰীনপ্লে আৰু শ্ৰেষ্ঠ চিন'মেটগ্ৰাফীৰ বঁটাও লাভ কৰে। ভেম্পায়াৰৰ ওপৰত নিৰ্মিত ছবি চিনাৰ্ছ আৰু গথিক হ'ৰৰ ফ্ৰেঙ্কেষ্টাইনে তিনিটাকৈ বঁটা লাভ কৰে।

ooooo

নেপালৰ ধাডিঙৰ চাৰাউণ্ডিৰ সমীপত আজি পুৱা এখন বাছ দুৰ্ঘটনাত পতিত হোৱাত দুগৰাকী বিদেশী পৰ্যটকসহ ১৭জন লোকৰ মৃত্যু হয়। পোখাৰাৰ পৰা কাঠমাণ্ডু অভিমুখে আহি থকা বাছখন পৃথ্বি ঘাইপথৰ পৰা ত্ৰিশূলী নদীত পৰি যায়। বাছখনত মুঠ ৪৪গৰাকী যাত্ৰী আছিল। ইয়াৰে ২৬গৰাকীক উদ্ধাৰ কৰি বিভিন্ন চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। দুৰ্ঘটনাটোত এজন পুৰুষ আৰু এগৰাকী মহিলা বিদেশী পৰ্যটকৰ মৃত্যু হয়।

ooooo

তেহৰানত থকা ভাৰতীয় দূতাবাসে ইৰানত বসবাস কৰা ভাৰতীয়সকলক বাণিজ্যিক বিমানকে ধৰি সহজলভ্য অন্যান্য পৰিবহন ব্যৱস্থাৰে যথাসম্ভৱ দেশখন ত্যাগ কৰাৰ আহ্বান জনাইছে। দূতাবাসে এই সন্দৰ্ভত চলিত বছৰৰ ১৪ জানুৱাৰীতে নিৰ্দেশনা জাৰি কৰিছিল। এই নিৰ্দেশনাত কোৱা হৈছিল যে ভাৰতীয় নাগৰিক আৰু ভাৰতীয় বংশোদ্ভৱসকলে সাৱধান হৈ চলা উচিত। তেওঁলোকক প্ৰতিবাদ আৰু বিক্ষোভস্থলীসমূহলৈ নাযাবলৈ উপদেশ দিয়াৰ লগতে ইৰানৰ ভাৰতীয় দূতাবাসৰ সৈতে যোগাযোগ কৰিবলৈ কোৱা হৈছিল। ভাৰতীয় নাগৰিকসকল সকলো সময়তে পাচপোৰ্ট আৰু পৰিচয়পত্ৰ লৈ ফুৰিবলৈ উপদেশ দিয়া হৈছিল। ভাৰতীয় দূতাবাসে ভাৰতীয় লোকসকলৰ সুবিধাৰ বাবে ৯৮ ৯১২ ৮১০ ৯১১৫, ৯৮ ৯১২ ৮১০ ৯১০৯, ৯৮ ৯১২ ৮১০ ৯১০২ আৰু ৯৮ ৯৯৩ ২১৭ ৯৩৫৯ নম্বৰৰ চাৰিটা হেল্পলাইন মুকলি কৰিছে।

00000

মেক্সিক'ৰ ভাৰতীয় দূতাবাসে দেশখনৰ বিভিন্ন স্থানত চলি থকা নিৰাপত্তা বাহিনীৰ অভিযান, পথ অৱৰোধ আৰু অপৰাধমূলক কাৰ্যকলাপৰ প্ৰতি লক্ষ্য ৰাখি সেই দেশত থকা ভাৰতীয় নাগৰিকসকলৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি কেতবোৰ পৰামৰ্শ আগবঢ়াইছে। ভাৰতীয় নাগৰিকসকলক পৰাপক্ষত ক্ষতিগ্ৰস্ত অঞ্চলৰ পৰা আঁতৰি থকা, বাসস্থানৰ চৌপাশৰ পৰিৱেশৰ প্ৰতি নজৰ ৰখা, বিশেষ প্ৰয়োজন নহ'লে নিজৰ ঘৰৰ পৰা বাহিৰলৈ নোলোৱা, স্থানীয় প্ৰচাৰ মাধ্যমসমূহৰ দ্বাৰা প্ৰচাৰিত শেহতীয়া বা-বাতৰিৰ প্ৰতি লক্ষ্য ৰাখিবলৈ দূতাবাসে আহ্বান জনাইছে। লগতে জৰুৰীকালিন অৱস্থাত ৯১১ ফোন নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে। তদুপৰি ভাৰতীয় দূতাবাসে নাগৰিকসকলৰ তেওঁলোকৰ পৰিয়াল আৰু বন্ধুবৰ্গক নিজৰ থকা ঠাইৰ বিস্তৃত বিৱৰণ ফোন অথবা সামাজিক মাধ্যমৰ জৰিয়তে জনাবলৈ পৰামৰ্শ দিছে।

00000

নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ একাংশ সদস্যক আক্ৰমণ কৰা ঘটনাক বিজেপিয়ে গৰিহণা দিয়ে। সংবাদ মাধ্যমৰ আগত দলৰ মুখপাত্ৰ শ্বাহনৱাজ হুছেইনে অভিযোগ কৰে যে বিশ্ববিদ্যালয়খনত বাওপন্থী ছাত্ৰ সংগঠনসমূহে অৰাজকতাৰ পৰিৱেশ অব্যাহত ৰাখিছে। বাওপন্থী ছাত্ৰ সংগঠনসমূহ বিশ্ববিদ্যালয় চৌহদত সংঘটিত বিভিন্ন হিংসাত্মক ঘটনাত জড়ি থকা বুলিও তেওঁ দাবী কৰে।

00000

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত জিম্বাব'ৱে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইটৰ এখন খেলত ভাৰত দক্ষিণ আফ্ৰিকাৰ হাতত ৭৬ ৰানত পৰাস্ত হয়।

ইয়াৰ পূৰ্বে শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইটৰ আন এখন খেলত ইংলেণ্ডে শ্ৰীলংকাক ৫১ ৰানত পৰাস্ত কৰে।

00000

**সমাপ্ত**